# **REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-03-2025
**Time:** 2125 Hrs

## ***Assamese Night Bulletin***
**- - - - - - - - - - - - - - -**

ooooo

রাষ্ট্ৰীয় শিক্ষা নীতিৰ অধীনত তিৱা ভাষাক পঞ্চম মান শ্ৰেণী পৰ্যন্ত বিদ্যালয়ত শিকোৱাৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আশ্বাস দিয়ে। তিৱা সাহিত্য সভাৰ মৰিগাঁৱৰ ঔজাৰিৰ অধিবেশনত উপস্থিত থাকি মুখ্যমন্ত্ৰীয়ে আজি এই কথা প্ৰকাশ কৰে।  তিৱা সাহিত্য সভাক তিৱা জনগোষ্ঠীৰ এখন বুৰঞ্জী প্ৰণয়ন কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিবলৈও মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। এই বুৰঞ্জী প্ৰণয়নৰ ব্যয় চৰকাৰে বহন কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰতিশ্ৰুতি দিছে।

তিৱা ৰজা জোঙালবলহুৰ বীৰত্বৰ গাঁথা আৰু জনগোষ্ঠীটোৰ চহকী ঐতিহ্য তথা লোককৃষ্টিৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে তিৱা জনগোষ্ঠীয় নৃত্যক বৃহৎ পৰিসৰত গুৱাহাটীত পৰিবেশন কৰোৱাৰ ব্যৱস্থা কৰিব বুলি প্ৰতিশ্ৰুতি দিয়ে। তদুপৰি জনগোষ্ঠীটোৰ লোকসকলৰ সৰ্বাত্মক উন্নয়ন আৰু তেওঁলোকৰ চহকী ঐতিহ্য সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে পদক্ষেপ লোৱা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

ooooo

ডিব্ৰুগড় জিলাৰ মাইজানৰ নগাঘূলীত কালি জিঅ' বেগৰ পলস খনন কৰি থকা অৱস্থাত মৃত্যু হোৱা ৰাজীৱ বৰুৱা নামৰ শ্ৰমিকজনৰ বাসগৃহলৈ গৈ আজি জল সম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই শ্ৰমিকজনৰ পৰিয়ালৰ সদস্যক সমবেদনা জ্ঞাপন কৰে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ব্ৰহ্মপুত্ৰৰ পলস খান্দি গৰাখহনীয়া প্ৰতিৰোধৰ কামত নিয়োজিত শ্ৰমিকজনৰ ওপৰত মাটি খহি পৰাত তেওঁৰ থিতাতে মৃত্যু হৈছিল। ৰহমৰীয়া গৰপৰা গাঁৱৰ এই শ্ৰমিকজনৰ লগত কৰ্মৰত হৃদয়ানন্দ কোঁৱৰ নামৰ আন এজন শ্ৰমিক গুৰুতৰভাৱে আহত হৈ অসম চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ৰাজীৱ বৰুৱাৰ মৃত্যুৰ খবৰ পোৱাৰ লগে লগে দুৰ্যোগ ব্যৱস্থাপনা পুঁজিৰ পৰা চাবুৱা ৰাজহ চক্ৰ বিষয়াৰ যোগেদি ২ লাখ টকাৰ এককালীন সাহায্য প্ৰদান কৰে।

ooooo

অহা ২ এপ্ৰিলত হ'বলগীয়া ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান চলিছে। বিজেপি, ৰাভা হাছং যৌথ সমিতি আৰু অগপই ঐক্যবদ্ধভাৱে প্ৰচাৰ অভিযান চলাই আছে। আজি ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই ৰাভা হাছং পৰিষদীয় এলেকাত উপস্থিত হৈ আগিয়া সমষ্টিৰ বিজেপি প্ৰাৰ্থী সুচিত্ৰা নাথৰ লগতে আন দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ চলায়। ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাৰ নেতৃত্বত ৰাভা হাছং যৌথ সংগ্ৰাম সমিতিয়ে বিজেপিৰ সহযোগত নিৰ্বাচনী প্ৰচাৰ চলাইছে। পৰিষদৰ অন্তৰ্গত কামৰূপ জিলাৰ ১৪টা সমষ্টিৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈছে। আজি সমষ্টিটোত কংগ্ৰেছ দলৰ ৰাজ্যিক সভাপতি ভূপেন বৰা আৰু ছয়গাঁও সমষ্টিৰ বিধায়ক ৰেকিবুদ্দিন আহমেদে ছয়গাঁৱৰ ৰাজীৱ ভৱনত উপস্থিত হৈ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰে।

ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদত গোৱালপাৰা জিলাত ২০টা আৰু কামৰূপ গ্ৰাম্য জিলাত ১৬টা পৰিষদীয় সমষ্টি আছে। ইয়াৰে গোৱালপাৰা জিলাত এটা আৰু কামৰূপ জিলাৰ দুটা সমষ্টিত এন ডি এৰ প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়ী হোৱাৰ

পৰিপ্ৰেক্ষিতত মুঠ ৩৩টা সমষ্টিৰ বাবে ৯৬গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ'ব। অহা ২ এপ্ৰিলৰ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০

কামৰূপ জিলাৰ ৰাণী সংৰক্ষিত বনাঞ্চলত উৰলি যোৱা বন্যহস্তীৰ এটা মৃতদেহ উদ্ধাৰ কৰা হয়। পূব কামৰূপ বন সংমণ্ডলৰ অধীনৰ ৰাণী ৰেঞ্জৰ অন্তৰ্গত দেওপাহাৰত উদ্ধাৰ কৰা মৃত বন্যহস্তীটো চোৰাং চিকাৰীয়ে হত্যা কৰাৰ সন্দেহ কৰা হৈছে। বন বিভাগে মেঘালয়ৰ চোৰাং চিকাৰীয়ে এমাহ পূৰ্বে হাতীটো হত্যা কৰি দাঁত, শুঁৰ, মঙহ আদি কাটি লৈ যোৱাৰ সন্দেহ কৰিছে। ঘটনাস্থলীত ৰাণী বনাঞ্চলিক বিষয়া ৰজী বৰ্মনসহ বনকৰ্মীৰ দল, পশু চিকিৎসকৰ দল আৰু স্থানীয় লোকৰ উপস্থিতিত মৃতদেহটোৰ অৱশিষ্ট জ্বলাই দিয়া হয়।

০০০০০

ৰাজ্য চৰকাৰৰ শিক্ষা, ভৈয়াম, জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ধেমাজি সমষ্টিৰ বৰুৱা ব্লক চাৰিআলিৰ পৰা সুবাহী চাৰিআলি সংযোগী ৭৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এখন পকী দলঙৰ আজি আধাৰশিলা স্থাপন কৰে। বিশ্ববেংকৰ পুঁজিৰে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ অধীনত অনুমোদিত ৪ কোটি ৪৬ লাখ টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰিবলৈ লোৱা পকী দলংখনে যাতায়াতৰ ক্ষেত্ৰত অঞ্চলটোৰ লোকৰ দীৰ্ঘদিনীয়া সমস্যা দূৰ কৰিব বুলি আশা কৰা হৈছে।

০০০০০

আই পি এলৰ আজিৰ দ্বিতীয়খন খেলত চেন্নাই ছুপাৰ কিংছ, মুম্বাই ইণ্ডিয়ানছৰ মুখামুখি হৈছে। মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি বেটিং বিপৰ্যয়ৰ সন্মুখীন হয়। দলটোৱে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট বিনিময়ত ১৫৫ ৰাণ সংগ্ৰহ কৰে।

হায়দৰাবাদত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজিৰ প্ৰথমখন খেলত ৰিয়ান পৰাগ নেতৃত্বাধীন ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ বিপক্ষে ৪৪ ৰাণত পৰাস্ত হয়।

ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হৈ সৰ্বাধিক ঈশান কিষাণে অপৰাজিতভাৱে ৪৭টা বলত ১০৬ ৰান সংগ্ৰহ কৰি প্লেয়াৰ অব দা মেচ খিতাপ লাভ কৰে।

০০০০০

আভ্যন্তৰীণ জল পৰিবহন বিভাগৰ অৱসৰপ্ৰাপ্ত যুটীয়া সঞ্চালক ৰমনী মোহন দাসৰ আজি সন্ধিয়া গুৱাহাটীৰ জ্যোতি নগৰৰ নিজা বাসভৱনত দেহাৱসান ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮০ বছৰ। অভিযন্তা দাসে অৱসৰ গ্ৰহণৰ পাছত অসম চৰকাৰৰ জলসম্পদ বিভাগ আৰু গুৱাহাটী উন্নয়ন কৰ্তৃপক্ষৰ উপদেষ্টা হিচাপে সেৱা আগবঢ়াইছিল।

০০০০০

সমাপ্ত